জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৪৫/২০২১

# নিমাতীঘাটৰ ফেৰী দুৰ্ঘটনাত পতিতসকলৰ উদ্ধাৰত সহযোগিতা আগবঢ়োৱা ব্যক্তিসকললৈ কৃতজ্ঞতা আৰু সাহসিকতাৰ পুৰস্কাৰ প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

# মাজুলী জিলাৰ ৰাস উদ্‌যাপন সমিতিসমূহলৈ আৰ্থিক সাহায্য প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

# মাজুলীৰ বিভিন্ন প্ৰতিষ্ঠানৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৮ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ৮ ছেপ্টেম্বৰত নিমাতীঘাটত সংঘটিত ফেৰী দুৰ্ঘটনাত পতিতসকলৰ উদ্ধাৰত সহযোগিতা আগবঢ়োৱা ব্যক্তিসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰাৰ উদ্দেশ্যৰে আজি মাজুলী জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এই উদ্ধাৰ কাৰ্যত সহযোগিতা আগবঢ়োৱা ৫০ গৰাকী ব্যক্তিলৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ২৫ হাজাৰ টকাকৈ কৃতজ্ঞতা আৰু সাহসিকতাৰ পুৰস্কাৰ প্ৰদান কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নিজৰ জীৱনকো তুচ্ছ কৰি এইসকল লোকে সাহসিকতাৰ পৰিচয় দি বহু লোকৰ জীৱন মৃত্যুমুখৰ পৰা ৰক্ষা কৰিছিল। নিমাতীঘাটৰ ঘটনাটো ৰাজ্য চৰকাৰে গুৰুত্ব সহকাৰে লৈছিল। ৰাজ্য চৰকাৰে আভ্যন্তৰীণ জল পৰিবহণ ব্যৱস্থাটো সুৰক্ষিত কৰি চলাচল কৰিব পৰাকৈ ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰীয়ে আজি মাজুলী জিলাৰ ৰাস উদ্‌যাপন সমিতিসমূহকো আৰ্থিক সাহায্যও প্ৰদান কৰে। এই উপলক্ষে মাজুলী জিলা উপায়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সভাত মুখ্যমন্ত্ৰীয়ে ৫৯ খন ৰাস সমিতিলৈ ৫০ হাজাৰ টকাকৈ সাহায্য বিতৰণ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কয় যে মাজুলীৰ ৰাস উৎসৱ কেৱল ধৰ্মীয় পৰিসৰতে সীমাবদ্ধ হৈ থকা নাই। এই মহোৎসৱ জাতীয় উৎসৱত পৰিণত হৈছে। ক'ভিড পৰিৱেশৰ বাবে দান-বৰঙণি সংগ্ৰহত ৰাস সমিতিসমূহে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এইবাবে ৰাজ্য চৰকাৰে আৰ্থিক সাহায্য প্ৰদানৰ জৰিয়তে ৰাস সমিতিবোৰলৈ সহযোগিতা আগবঢ়াইছে। তেওঁ লগতে কয় যে মাজুলীৰ ৰাসক কেৱল ৰাজ্যতে সীমাবদ্ধ কৰি নাৰাখি সমগ্ৰ দেশতে যাতে মাজুলীৰ ৰাসে এক সুকীয়া পৰিচয় গঢ়ি তুলিব পাৰে তাৰ বাবে পৰ্যটন বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ স্থান পৰিদৰ্শন কৰে। তেওঁ লুইত ঘাটত খহনীয়া প্ৰতিৰোধৰ কাম-কাজৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে নুমলীগড় শোধনাগাৰ লিমিটেডৰ সামাজিক

দায়বদ্ধতা আঁচনিৰ অধীনত মাজুলী জিলা চিকিৎসালয়ত ৫ খন বিছনাযুক্ত আই চি ইউ কক্ষ এটাৰ শুভ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে হাস্পতালখনৰ বিনামূলীয়া ডায়েলেছিচ কেন্দ্ৰটো পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে সংহত কাৰ্যালয় ভৱনৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰো বুজ লয়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে আদৰ্শ ডিগ্ৰী মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। অহা বছৰৰ পৰা শিক্ষাদান কৰিব পৰাকৈ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে তেওঁ নিৰ্দেশ দিয়ে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ফুলনীত আয়ুষ হাস্পতালৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰো বুজ লয়। অহা বছৰ যাতে এই হাস্পতালখন শুভাৰম্ভ কৰিব পৰা যায় তাৰ বাবে তৎকালীন পদক্ষেপ ল'বলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। আনহাতে, মুখ্যমন্ত্ৰীয়ে পলিটেকনিক ইনষ্টিটিউটৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰো বুজ লয়।

আজিৰ এই অনুষ্ঠান আৰু পৰিদৰ্শন কালত শক্তি, পৰ্যটন, ক্ৰীড়া বিভাগৰ মন্ত্ৰী বিমল বৰা, জলসম্পদ, জনসংযোগ ইত্যাদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ প্ৰদান বৰুৱা আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**১৮-১১-২০২১**